
**Table-1**




3.4 **মুদ্ৰাৰ পৰিমাণ তত্ব** (Quantity Theory of Money) **ঃ** যোল্লশ শতিকাত এগৰাকী ইটালিয়ান লেখক ডাভানজা (Davanzatti) য়ে প্ৰথমে মুদ্ৰাৰ পৰিমাণ তত্ব আগবঢ়ায়। তেওঁ উল্লেখ কৰা তত্বৰ মতে, মুদ্ৰাৰ মূল্য আৰু পৰিমাণৰ মাজৰ সম্পৰ্ক বিপৰীতমুখী। এফ. ডব্লিউ. টাচিঙে (F.W. Taussing) তেওঁৰ গ্ৰন্থ "Principles of Economics"ত উল্লেখ কৰিছে যে, মুদ্ৰাৰ পৰিমাণ যদি দুগুণলৈ বৃদ্ধি হয় আৰু অন্যান্য অৱস্থা সমূহ স্থিৰে থাকে তেনেহ'লে দৰবস্তৰ পূৰ্ব্বৰ দুগুণলৈ বৃদ্ধি পাব আৰু মুদ্ৰা মূল্য আধালৈ হ্ৰাস পাব। যদি মুদ্ৰাৰ পৰিমাণ আধাত থাকে আৰু অন্যান্য অৱস্থাসমূহ স্থিৰে থাকে, তেনেহ'লে দৰবস্তৰ পূৰ্ব্বৰ আধালৈ হ্ৰাস পাব আৰু মুদ্ৰাৰ মূল্য দুগুণলৈ বৃদ্ধি হ'ব।

"Double the quantity of Money and other things being equal, price will be twice as high as before and the value of money one-half. Halve the quantity of money and other things being equal, price will be one-half of what they were before and the value of money double"- F.W. Taussing

এই ক্ষেত্ৰত দুটা কথা উল্লেখ কৰিব পাৰি যে, (a) মুদ্ৰাৰ যোগান আৰু দৰস্তৰৰ মাজৰ সম্পৰ্ক প্ৰত্যক্ষ আৰু মুদ্ৰা মূল্যৰ পৰিবৰ্তনৰ লগত সম্পৰ্ক বিপৰীত। (b) দুয়োটা দিশতে পৰিবৰ্তন সামানুপাতিক।

## 3.5 ফিচাৰৰ নগদ লেনদেন তত্ত্ব (Fisher's Cash Transactions Approach) :

মুদ্ৰাৰ মূল্য বা সাধাৰণ দৰস্তৰৰ বিষয়ে প্ৰথমে ষোল্লশ শতিকাত সদাগৰীবাদী (Mercantilists) সকলে আগবঢ়ায়। ইয়াৰ পৰৱৰ্তী সময়ত জন লক (John Locke) আৰু ডেভিদ হিউমে (David Hume) এই সম্পৰ্কীয় বিশ্লেষণ আগবঢ়ায়। অৱশ্যে সঠিক ৰূপত এই তত্ত্বৰ বিশ্লেষণ মিল (Mill), ৰিকাৰ্ড (Ricardo) আৰু আৰভিং ফিচাৰে (Irving Fisher) এ আগবঢ়ায়। এই লিখক সকলে মুদ্ৰাৰ পৰিমাণ (M) আৰু দৰস্তৰ (P)ৰ মাজত প্ৰত্যক্ষ আৰু আনুপাতিক সম্পৰ্ক বিশ্লেষণ কৰিছে। মিলৰ মতে, অন্যান্য অৱস্থা বিলাক স্থিৰে থকা অৱস্থাত মুদ্ৰাৰ মূল্য আৰু দৰস্তৰৰ মাজৰ সম্পৰ্ক বিপৰীত। প্ৰত্যেক মুদ্ৰাৰ পৰিমাণ বৃদ্ধিয়ে ইয়াৰ মূল্য নিম্নগামী কৰে আৰু প্ৰত্যেক সংকোচনে ইয়াৰ মূল্য সমানুপাতিক হাৰত বৃদ্ধি কৰে।

"The value of money, other things being the same, varies inversely as its quantity; every increase of quantity lowers the value and every dimunition raises it in a ratio exactly equivalent"- J. S Mill

ফিচাৰৰ মুদ্ৰা পৰিমাণ তত্ত্বটো তেওঁৰ গ্ৰন্থ "The purchasing power of money, 1911"ত এক সংশোধিত ৰূপত আগবঢ়াইছে। ফিচাৰে মুদ্ৰাৰ পৰিমাণ (M) আৰু দৰস্তৰ (P)ৰ সম্পৰ্ক উল্লেখ কৰি কয় যে, (প্ৰচলনৰ গতিশীলতা আৰু ব্যৱসায়ৰ বাণিজ্যৰ আকাৰ অপৰিবৰ্তিত থকা অৱস্থাত), যদি ডলাৰৰ পৰিমাণ নতুন নামাকৰণ বা অন্য প্ৰকাৰে বৃদ্ধি কৰা হয়, তেনেহ'লে দৰস্তৰ একে অনুপাতত বৃদ্ধি হয়।

"The quantity theory asserts that (provided the velocity of circulation and the volume of trade are unchanged) if we increase the number of dollars whether by renaiming coins or by increasing coinage, prices will be increased in the same proportion" - Fisher

ফিচাৰৰ পৰিমাণ তত্ত্বৰ বিশেষ মন কৰিবলগীয়া দুটা দিশ হ'ল, প্ৰথমতে, তেওঁ বেংকৰ জমা আৰু সাধাৰণ মুদ্ৰাৰ মাজত পাৰ্থক্য উল্লেখ কৰিছে। দ্বিতীয়তে, তেওঁ M আৰু Pৰ মাজৰ সম্পৰ্কক এক গাণিতিক সমীকৰণৰ জৰিয়তে উপস্থাপন কৰিছে। যাক বিনিময় সমীকৰণ (equation of exchange) বোলে। তেওঁ উল্লেখ কৰা সমীকৰণটো হ'ল—

$$MV = PT$$

বা, $$PT = MV$$

বা, $$P = \frac{MV}{T}$$

ইয়াত M, মুঠ মুদ্ৰাৰ পৰিমাণ

V, মুদ্ৰা প্ৰচলনৰ গতিবেগ (অৰ্থাৎ, গড় অনুসৰি এটা মুদ্ৰাই এক নিৰ্দিষ্ট সময়ত কেইবাৰ হাত সলায়।)

P, সাধাৰণ মূল্যস্তৰ আৰু

T, লেনদেনৰ সৰ্ব্বমুঠ দ্ৰব্য-সামগ্ৰীৰ পৰিমাণ।

ইয়াত PT য়ে সৰ্ব্বমুঠ লেনদেনৰ মূল্য বা বিক্ৰীজাত দ্ৰব্য সামগ্ৰীৰ মূল্য আৰু MV য়ে দ্ৰব্য-সামগ্ৰীৰ কাৰণে পৰিশোধিত মুদ্ৰাৰ পৰিমাণ। গতিকে, MV=PT য়ে সাধাৰণভাৱে মুদ্ৰাৰ চাহিদা আৰু যোগানৰ মাজৰ সমতাক বুজায়। ইয়াত সাধাৰণ মূল্যস্তৰ (P) = $\frac{MV}{T}$ আৰু মুদ্ৰাৰ মূল্য $\frac{(1)}{P}$, $\frac{T}{MV}$ ৰ সমান। এক অৰ্থত বিনিময় সমীকৰণ এক তত্ত্ব নহয়, ই এক স্বতঃসিদ্ধ বিষয়।

ফিচাৰে বিনিময় সমীকৰণ ব্যৱহাৰৰ জৰিয়তে সংস্থাপিত মুদ্ৰা পৰিমাণ তত্ত্বৰ উন্নয়ন সাধন কৰি মুদ্ৰাৰ যোগান আৰু দৰস্তৰৰ মাজত কাৰ্য্য কাৰণ সম্পৰ্ক বিশ্লেষণ কৰে। অভিধাৰণাৰ ভিত্তিত পূৰ্ণ নিয়োগ অৱস্থাত দীৰ্ঘকালত মুঠ দ্ৰব্য সামগ্ৰী (T) ৰ পৰিবৰ্তন নহয় আৰু মুদ্ৰাৰ লেনদেনৰ গতিশীলতা (V) স্থিৰে থাকে। মুদ্ৰাৰ যোগান আৰু দৰস্তৰৰ মাজৰ কাৰ্য্য কাৰণ সম্পৰ্কত ফিচাৰে উল্লেখ কৰে যে... প্ৰচলনৰ মুদ্ৰাৰ পৰিমাণৰ সৈতে প্ৰত্যক্ষভাৱে দৰস্তৰৰ পৰিবৰ্তন হয়, যদিহে প্ৰচলিত মুদ্ৰাৰ গতিশীলতা আৰু ব্যৱসায়িক দ্ৰব্য সামগ্ৰীৰ আকাৰ নিশ্চিতভাৱে কোনো পৰিবৰ্তন নহয়।

"....... the level of price varies directly with the quantity of money in circulation provided the velocity of circulation of that money and the volume of trade which it is obliged to perform are not changed." - Fisher

ফিচাৰৰ বিনিময় সমীকৰণটো আৰু অধিক সম্প্ৰসাৰিত কৰি বেংকৰ চলিত জমা (demand deposit) M' আৰু ইয়াৰ গতিশীলতা (velocity of demand deposit) V' ক মুঠ মুদ্ৰাৰ যোগানত অন্তৰ্ভূক্ত কৰে। সেই অনুসৰি বিনিময় সমীকৰণৰ নতুন ৰূপটো হ'ব—

$$MV + M'V' = PT$$

বা $$P = \frac{MV + M'V'}{T}$$

গতিকে ফিচাৰৰ মতে সাধাৰণ মূল্যস্তৰ মূলতঃ (P) পাঁচটা উপাদানৰ ওপৰত নিৰ্ভৰ কৰে। (a) প্ৰচলিত মুদ্ৰাৰ পৰিমাণ (M), (b) প্ৰচলিত মুদ্ৰাৰ গতিবেগ, (V) (c) বেংক জমাৰ পৰিমাণ (M'), (d) বেংক জমাৰ প্ৰচলনৰ গতিবেগ (V') আৰু (e) ব্যৱসায়িক লেনদেনৰ পৰিমাণ (T)। মুদ্ৰা পৰিমাণৰ লেনদেন তত্ত্ব অনুসৰি, অন্যান্য অৱস্থাৰ পৰিবৰ্তন নহ'লে, যদি V, V' আৰু T অপৰিবৰ্তিত হৈ থাকে, তেতিয়া M আৰু P ৰ মাজত এক প্ৰত্যক্ষ আৰু আনুপাতিক সম্পৰ্কই বিৰাজ কৰে। যদি মুদ্ৰাৰ পৰিমাণ দুগুণলৈ বৃদ্ধি হয়, মূল্যস্তৰো দুগুণলৈ বৃদ্ধি হ'ব আৰু মুদ্ৰাৰ মূল্য আধালৈ হ্ৰাস পাব। যদি মুদ্ৰাৰ পৰিমাণ আধা হয় মূল্য স্তৰো আধা হ'ব আৰু মুদ্ৰাৰ মূল্য দুগুণলৈ বৃদ্ধি হ'ব।

ফিচাৰৰ মুদ্ৰাৰ পৰিমাণ তত্ত্বটো এটা উদাহৰণৰ সহায়ত উল্লেখ কৰিব পাৰি। ধৰা হ'ল, M=200 কোটি, M'=300 কোটি, V=5, V' = 6 আৰু T=200 কোটি তেনেহ'লে P ৰ সমান হ'ব।

$$P = \frac{MV + M'V'}{T} = \frac{200 \times 5 + 300 \times 6}{200}$$

বা $$P = \frac{1000 + 1800}{T} = \frac{2800}{200} = 14 \text{ টকা}$$

$$\frac{1}{P} = \frac{T}{MV + M'V} = \frac{200}{2800} = \frac{1}{14}$$

এতিয়া যদি M ক দুগুণলৈ বৃদ্ধি কৰি 400 কোটি আৰু M আৰু M′ ৰ মাজত আনুপাতিক সম্পৰ্ক ৰক্ষা কৰা হয়। তেতিয়া বেংকৰ চলিত জমা, M′ ৰ পৰিমাণ হ'ব 600 কোটি আনহাতে V, V′ আৰু T অপৰিবৰ্তিত হৈ থাকিলে,

$$P = \frac{MV + M'V'}{T} = \frac{400 \times 5 + 600 \times 6}{200}$$

বা $$\frac{2000 + 3600}{200} = \frac{5600}{200} = 28 \text{ টকা}$$

$$\frac{1}{P} = \frac{T}{MV + M'V'} = \frac{200}{5600} = \frac{1}{28}$$

গতিকে মুদ্ৰাৰ যোগান (M) ৰ পৰিমাণ দুগুণ কৰিলে দৰস্তৰ (P) দুগুণলৈ বৃদ্ধি পাব আৰু মুদ্ৰাৰ মূল্য আধালৈ কমি আহিব।

ফিচাৰৰ বিনিময় সমীকৰণত M আৰু P ৰ মাজত থকা সম্পৰ্কক তলত উল্লেখ কৰা চিত্ৰ 3.1 - A.B ৰ জৰিয়তে দেখুৱাব পাৰি।

(i) চিত্ৰ 3.A ত দেখুৱা হৈছে যে, যেতিয়া মুদ্ৰাৰ যোগান OM ৰ পৰা $OM_1$ লৈ দুগুণে বৃদ্ধি হয়, তেতিয়া দৰস্তৰো OP ৰ পৰা $OP_1$ লৈ দুগুণে বৃদ্ধি হয়। আকৌ মুদ্ৰাৰ যোগান OM ৰ পৰা $OM_2$ লৈ আধা হ্ৰাস হয় তেতিয় দৰস্তৰো OP ৰ পৰা $OP_2$ লৈ আধা হ্ৰাস পায়। দৰৰেখা P=f (M), $45^0$ ৰেখাডালে মুদ্ৰাৰ যোগান আৰু দৰস্তৰৰ প্ৰত্যক্ষ আৰু আনুপাতিক সম্পৰ্কক বুজাইছে।

(ii) চিত্ৰ 3.B -ত দেখুওৱা হৈছে যে, যেতিয়া মুদ্ৰাৰ যোগান OM ৰ পৰা $OM_1$ লৈ দুগুণে বৃদ্ধি হয়, তেতিয়া মুদ্ৰাৰ মূল্য $0\frac{1}{p}$ ৰ পৰা আধালৈ হ্ৰাস পাই $0\frac{1}{p_1}$ হয়। মুদ্ৰাৰ মূল্য ৰেখা $\frac{1}{p} = f(M)$ ৰেখাই মুদ্ৰাৰ যোগান আৰু মূল্য মাজৰ বিপৰীত আনুপাতিক সম্পৰ্কক বুজাইছে।





Fig. 3.A& B

1. **ফিচাৰৰ পৰিমাণ তত্ত্বৰ অভিধাৰণা সমূহ (Assumptions of Fisher's Quantity theory) ঃ**
   ফিচাৰৰ মুদ্ৰা পৰিমাণ তত্ত্ব মূলত তলত উল্লেখ কৰা অভিধাৰণা সমূহৰ ওপৰত প্ৰতিষ্ঠিত।

   (i) **মুদ্ৰাৰ গতিবেগ স্থিৰে থাকে (Constant velocity of money) ঃ** ফিচাৰৰ মতে, মুদ্ৰাৰ গতিবেগ (V) স্থিৰে থাকে আৰু ইয়াৰ ওপৰত মুদ্ৰাৰ পৰিমাণ পৰিবৰ্তনে কোনো প্ৰভাৱ নেপেলায়। মুদ্ৰাৰ গতিবেগ নিৰ্ভ কৰে জনসংখ্যা, ব্যৱসায়িক কাম-কাজ, মানুহৰ ৰুচি অভ্যাস, সুদৰ হাৰ আদিৰ দৰে বাহ্যিক (exog-enous) উপাদান সমূহৰ ওপৰত। এই উপাদান সমূহ তুলনামূলক ভাৱে স্থিৰে থাকে আৰু সময়ৰ লগে লগে ধীৰ গতিত পৰিবৰ্তন হয়। গতিকে, V স্থিৰে থকা কাৰণে, মুদ্ৰাৰ যোগান পৰিবৰ্তনে গতিবেগৰ ওপৰ প্ৰভাৱ নেপেলায়।

(ii) **ব্যৱসায়িক আকাৰ বা লেনদেন স্থিৰে থাকে** (Constant Volume of Trade or transaction) ঃ সৰ্বমুঠ ব্যৱসায়িক আকাৰ বা লেনদেন (T) স্থিৰে থাকে আৰু মুদ্ৰা যোগানৰ পৰিবৰ্তনে ইয়াৰ ওপৰত প্ৰভাৱ নেপেলায়। T ক এক স্বতন্ত্ৰ নিৰ্দ্ধাৰক হিচাপে ধৰা হয় আৰু ই নিৰ্ভৰ কৰে প্ৰাকৃতিক সম্পদ, কাৰিকৰী উন্নয়ণ, জনসংখ্যা আদিৰ দৰে সূচক সমূহৰ ওপৰত। এই সূচক সমূহ ফিচাৰ সমীকৰণৰ বাহিৰত আৰু সময়ৰ লগে লগে ধীৰ গতিত পৰিবৰ্তন হয়। গতিকে মুদ্ৰাৰ যোগান পৰিৱৰ্তনে T ৰ ওপৰত কোনো প্ৰভাৱ নেপেলায়। T ৰ স্থিতিশীলতাই অৰ্থনীতিত সম্পদৰ পূৰ্ণ নিয়োগ বুজায়।

(iii) **দৰস্তৰ এক নিষ্ক্ৰীয় উপাদান** (Price level is a passive factor) ঃ ফিচাৰৰ মতে দৰস্তৰ (P)এক নিস্কীয় উপাদান। কাৰণ দৰস্তৰ, সমীকৰণত উল্লেখিত অন্যান্য উপাদান সমূহৰ দ্বাৰা প্ৰভাম্বিত হয়; কিন্তু দৰস্তৰে সেই উপাদান সমূহৰ ওপৰত প্ৰভাৱ পেলাব নোৱাৰে। ফিচাৰৰ সমীকৰণত দৰস্তৰ এক কাৰ্য্য, ই কাৰণ নহয়। M আৰু V ৰ বৃদ্ধিয়ে দৰস্তৰ বৃদ্ধি কৰে। একদৰে T ৰ পৰিমাণ বৃদ্ধিয়ে দৰস্তৰ হ্ৰাস কৰে।

(iv) **মুদ্ৰা এক বিনিময়ৰ মাধ্যম** (Money is a medium of exchange) ঃ মুদ্ৰাৰ পৰিমাণ তত্বই মুদ্ৰাক বিনিময়ৰ এক মাধ্যম হিচাপে গণ্য কৰে। মুদ্ৰাই লেনদেন কাৰ্য্য সুচাৰুৰূপে সমাধা কৰে। ইয়াক গুপুত মজুতকৰণ (hoarding) বা ফট্‌কা ব্যৱসায় (speculative) ৰ উদ্দেশ্যে ব্যৱহাৰ কৰা নহয়।

(v) **M আৰু M' ৰ মাজত স্থিৰ সম্পৰ্ক** (Constant relation between M and M') ঃ ফিচাৰে প্ৰচলিত মুদ্ৰা (M) আৰু বেংক মুদ্ৰা (M')ৰ মাজত এক আনুপাতিক সম্পৰ্ক ধৰি লৈছে। বেংক মুদ্ৰাৰ পৰিমাণ নিৰ্ভৰ কৰে বাণিজ্যিক (commercial) বেংক সমূহৰ ঋণ সৃষ্টি ক্ষমতাৰ ওপৰত আৰু এই ঋণ সৃষ্টি নিৰ্ভৰ কৰে প্ৰচলিত মুদ্ৰাৰ পৰিমাণৰ ওপৰত। গতিকে M' ৰ অনুপাত M ৰ সৈতে স্থিৰে থাকে আৰু M' ক বিনিময় সমীকৰণত অৰ্ন্তভূক্তিয়ে মুদ্ৰা আৰু দৰস্তৰৰ সাংখ্যিক পৰিমাণক অস্থিৰ নকৰে।

(vi) **দীৰ্ঘকালীন বিশ্লেষণ** (Long peiod analysis) ঃ মুদ্ৰাৰ পৰিমাণ তত্ব এক দীৰ্ঘকালীন বিশ্লেষণ। দীৰ্ঘকালত মুদ্ৰাৰ গতিবেগ (V) আৰু দ্ৰব্য-সামগ্ৰীৰ লেনদেন (T) স্থিৰে থাকে বুলি ধৰা হয়। গতিকে দেখা যায় যে, বিনিময় সমীকৰণ, $MV + M'V' = PT$ ত দীৰ্ঘকালীন সময়ত M'V, V' আৰু T স্থিৰে থাকে আৰু P ইয়াত এক নিস্কীয় উপাদান। ইয়াৰ পৰা এইটো স্পষ্ট হয় যে, মুদ্ৰাৰ যোগানৰ পৰিৱৰ্তনে প্ৰত্যক্ষ আৰু আনুপাতিক হাৰত দৰস্তৰৰ পৰিবৰ্তন ঘটায়।

2. **নগদ লেনদেন তত্বৰ সমালোচনা** (Criticism of Cash transaction approach) ঃ

(i) প্ৰথমতে, ফিচাৰে নগদ লেনদেন তত্বত উল্লেখ কৰা মতামত শুদ্ধ নহয়। যদিও লেনদেন তত্বত তিনিটা উপাদান স্থিৰে থাকে বুলি ধৰা হৈছে তথাপি অন্যান্য বহুতো উপাদান আছে যিবোৰে দৰস্তৰৰ ওপৰত প্ৰভাৱ পেলায়। উদাহৰণ স্বৰূপে মুঠ আয়ৰ পৰিবৰ্তনৰ কথা উল্লেখ কৰিব পাৰি। দৰস্তৰ পৰিবৰ্তনৰ মূল কাৰণ হ'ল ব্যক্তিৰ মুঠ আয়ৰ পৰিবৰ্তন অৰ্থনৈতিক মন্দাৱস্থা (depression)ৰ সময়ত মুদ্ৰাৰ পৰিমাণ পৰ্যাপ্ত, কিন্তু আয়ৰ পৰিমান নিম্ন হোৱাৰ কাৰণে দৰস্তৰো নিম্ন হয়।

(ii) দ্বিতীয়তে, এই তত্ব এক দীৰ্ঘকালীন বিশ্লেষণ। য'ত আন বিভিন্ন উপাদানে ভাৰসাম্য (equilibrium) লাভৰ প্ৰৱণতাক অস্থিৰ কৰে। ইয়াক এক সঞ্চৰণ (transition) সময় বোলে আৰু সঞ্চৰণ একাদিক্ৰমে চলি